CAREERINDIA

**Language Code : 03**

इस पुस्तिका में **20** मुद्रित पृष्ठ हैं।
This booklet contains **20** Printed pages.

# SED-24-II

**प्रश्न-पत्र-II / PAPER-II**
**असमीया भाषा परिशिष्ट**
**Assamese Language Supplement**
**भाग-IV & V / PART-IV & V**

**मुख्य परीक्षा पुस्तिका संख्या / Main Test Booklet No.**

**मुख्य परीक्षा पुस्तिका कोड / Main Test Booklet Code**
**E**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**

**असमीया में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें। / FOR INSTRUCTIONS IN ASSAMESE SEE PAGE 2 OF THIS BOOKLET.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं OMR उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत** है **E**। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, OMR उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा-I (असमीया) (प्र. 91 से प्र. 120)
   भाग-V : भाषा-II (असमीया) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से संबंधित प्रश्न दिए गए हैं। **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा-I (भाग-IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

## INSTRUCTIONS FOR CANDIDATES

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page/marking responses in the OMR Answer Sheet.
5. The CODE for this Language Booklet is **E**. Make sure that the CODE printed on **Side-2** of the OMR Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language-I (Assamese) (Q. 91 to Q. 120)
   Part-V : Language-II (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part-V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ____________________
Name of the Candidate (in Capitals) :
अनुक्रमांक : (अंकों में) / Roll Number : in figures ____________________
: शब्दों में / in words ____________________
परीक्षा केन्द्र (बड़े अक्षरों में) : ____________________
Centre of Examination (in Capitals) :
परीक्षार्थी के हस्ताक्षर : ____________________ निरीक्षक के हस्ताक्षर : ____________________
Candidate's Signature : Invigilator's Signature :
Facsimile Signature Stamp of
Centre Superintendent : ____________________

www.careerindia.com

CAREERINDIA

Language Code : **03**

# SED-24-II

**কাকত-II**

**অসমীয়া ভাষা**

**খণ্ড-IV & V**

পৰীক্ষা বহীখনৰ কোড

**E**

এই পৰীক্ষা বহীত 20 টা পৃষ্ঠা আছে

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেইসকল পৰীক্ষাৰ্থীক দিয়া হৈছে যি **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা বহীৰপৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ সৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/ক'লা বল পেন** ব্যৱহাৰ কৰিবা।
5. এইখন ভাষা বহীৰ কোড হ'ল **E** এইটো নিশ্চিত কৰা যে OMR উত্তৰ বহীৰ **দ্বিতীয় পিঠি,** মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই ল'ব।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত 60টা চমু ধৰণৰ প্ৰশ্ন আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড-IV : ভাষা I (অসমীয়া) (প্ৰশ্ন 91 ৰপৰা প্ৰশ্ন 120 লৈ)

   খণ্ড-V : ভাষা II (অসমীয়া) (প্ৰশ্ন 121 ৰপৰা প্ৰশ্ন 150 লৈ)
7. খণ্ড-IV ত ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড-V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা-I অথবা ভাষা-II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা। তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড-V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড -IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল **OMR** উত্তৰ কাকতততহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ______________________

ৰোল নম্বৰ : সংখ্যাৰে ______________________

: আখৰেৰে : ______________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ______________________

প্ৰাৰ্থীৰ চহী : ______________ নিৰীক্ষকৰ চহী : ______________

Facsimile signature stamp of
Centre Superintendent ______________________

www.careerindia.com

CAREERINDIA

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV-ৰ (প্ৰশ্ন নং 91-ৰপৰা 120 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

→

www.careerindia.com

CAREERINDIA

## PART–IV

## LANGUAGE–I

## ASSAMESE

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV-ৰ (প্ৰশ্ন নং 91-ৰপৰা 120 লৈ)** উত্তৰ কৰিব।

**তলত দিয়া পাঠটো পঢ়ি 91 ৰপৰা 99 লৈকে দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ প্ৰদত্ত বিকল্পসমূহৰ মাজৰপৰা চিনাক্ত কৰাঁ।**

অসমৰ সমাজ-জীৱনৰ বিভিন্ন দিশলৈ বৰাক উপত্যকাৰ বহু ব্যক্তিৰ বিশিষ্ট বৰঙণি আছে। তেনে কেইগৰাকীমান ব্যক্তিৰ কথাই ইয়াত ক'বলৈ বিচৰা হৈছে। এইসকলৰ ভিতৰত প্ৰথমতেই নাম ল'ব লগা ব্যক্তিগৰাকী হৈছে বিশিষ্ট পণ্ডিত ৰাজমোহন নাথ। অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব গৱেষণাৰ চৌহদত ৰাজমোহন নাথৰ অৱদান অসামান্য। তেওঁ আছিল অভিযন্তা। কিন্তু তেওঁৰ আগ্ৰহৰ ক্ষেত্ৰখন আছিল বুৰঞ্জীৰ গৱেষণা। এই সন্দৰ্ভত তেওঁৰ উল্লেখযোগ্য গ্ৰন্থখনৰ নাম 'The Background of Assamese Culture'। গ্ৰন্থখন প্ৰথম প্ৰকাশিত হৈছিল ১৯৪৮ চনত। শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্য আৰু দৰ্শনৰ বিষয়েও ৰাজমোহন নাথে চৰ্চা কৰিছিল। তিনিচুকীয়া চহৰত ১৯৫৮ চনত অনুষ্ঠিত 'অসম সাহিত্য সভা'ৰ ত্ৰয়োদশ অধিৱেশনত তেওঁ বুৰঞ্জী শাখাৰ সভাপতি আছিল।

বুৰঞ্জীবিদ কামালুদ্দীন আহমদ আছিল কৰিমগঞ্জ কলেজৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক। পৰৱৰ্তী সময়ত তেওঁ অধ্যক্ষ হৈছিল। কামালুদ্দীন আহমদে সাহিত্য চৰ্চাও কৰিছিল। তেওঁৰ সম্পাদিত সাহিত্য পত্ৰখনৰ নাম 'দিগ্বলয়'। অসমৰ শিল্প আৰু স্থাপত্যৰ বিষয়ে লিখা তেওঁৰ গ্ৰন্থখনৰ নাম 'The Art and Architecture of Assam (1994)'। শতাধিক গৱেষণা-নিবন্ধৰ লগতে তেওঁ উপন্যাস আদি সৃজনশীল সাহিত্যও ৰচনা কৰিছিল।

বৰাক উপত্যকাৰ বৰ্মণ সমাজৰ কেইবাজনো বিশিষ্ট ব্যক্তি যেনে— নন্দন বৰ্মণ, মণিচৰণ বৰ্মণ, নলিনীন্দ্ৰ কুমাৰ বৰ্মণ আৰু অনিল কুমাৰ বৰ্মণৰ নাম এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। ৰাজমন্ত্ৰী বংশৰ নন্দলাল বৰ্মণ আছিল সমাজসেৱক। এজন প্ৰতিপত্তিশালী ব্যৱসায়ী হিচাপে তেওঁ সমাজত মান পাইছিল।বৰ্মণ সমাজৰ মানুহে তেওঁক সন্মানসূচক 'মিলাউ' আৰু আন সমাজৰ মানুহে 'মহাজন' বুলি সম্বোধন কৰিছিল। শিক্ষানুৰাগী নন্দলাল বৰ্মণে গঞা ল'ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে কাছাৰ জিলাৰ বৰখলাত ১৯১০ চনত এখন স্কুল স্থাপন কৰিছিল। স্কুলখনৰ বৰ্তমান নাম 'ৰাজা গোবিন্দচন্দ্ৰ মেমোৰিয়েল স্কুল'।

ডিমাছা ভাষাতত্ত্ব সন্দৰ্ভত প্ৰথম গ্ৰন্থ ৰচনা কৰিছিল মণিচৰণ বৰ্মণে। কুৰি শতিকাৰ প্ৰথম ভাগত প্ৰকাশিত গ্ৰন্থখনৰ নাম 'হৈড়িম্ব ভাষা প্ৰৱেশ'।

নলিনীন্দ্ৰ কুমাৰ বৰ্মণ আছিল শিক্ষক। ১৯৩০ চনৰ জুন মাহত বৰ্তমানৰ ডিমাহাছাও জিলাৰ সদৰ হাফলঙৰ মিচন স্কুলত তেওঁ শিক্ষক হিচাপে যোগ দিছিল। ডিমাছা জাতিৰ ঐতিহ্য আৰু পৰম্পৰাৰ বিষয়ে তেওঁ ব্যাপক অধ্যয়ন কৰিছিল। এই বিষয়ে লিখা তেওঁৰ গ্ৰন্থখনৰ নাম 'The Queen of Cachar or Herambo and the History of the Cacharis'। ডিমাছা সমাজত শ্ৰাধৰ অত্যাৱশ্যকীয় অঙ্গ হ'ল কীৰ্তন। নলিনীন্দ্ৰ কুমাৰ বৰ্মণে শ্ৰাধৰ কীৰ্তন পদাৱলীৰ এখন সংকলন প্ৰকাশ কৰিছিল। উক্ত গ্ৰন্থখনৰ নাম 'হৈড়িম্বৰাজ গোবিন্দচন্দ্ৰকৃত হিন্দু শাস্ত্ৰীয় শ্ৰাদ্ধাদিৰ কীৰ্তন গীতিকা'।

ছাত্ৰাৱস্থাৰপৰাই অনিল কুমাৰ বৰ্মণে সমাজসেৱামূলক কামত আগবাঢ়ি আহিছিল। ১৯৪২ চনত তেওঁ 'ডিমাছা ছাত্ৰ সমিতি' নামেৰে এটা সংস্থা গঠন কৰিছিল। কৰ্মজীৱনত আইন ব্যৱসায়ত ব্যস্ত থাকিলেও তেওঁ বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠানৰ লগত যুক্ত আছিল। বহুদিন তেওঁ 'নিখিল কাছাৰ হৈড়িম্ব বৰ্মণ সমিতি'ৰ সভাপতি আছিল।

**91.** 'শিক্ষানুৰাগী' শব্দটোৰ সন্ধি ভাঙিলে হ'ব—

(1) শিক্ষা + অনুৰাগ + ঈ (2) শিক্ষানুৰাগ + ঈ

(3) শিক্ষা + অনুৰাগী (4) শিক্ষা + অনু + ৰাগী

www.careerindia.com

**92.** ৰাজমোহন নাথে __________ চনত অসম সাহিত্য সভাৰ অধিবেশনৰ 'বুৰঞ্জী শাখাৰ' সভাপতিৰ পদ অলংকৃত কৰিছিল।

(1) ১৯৫৮ (2) ১৯৪৮ (3) ১৯৯৮ (4) ১৯৮৫

**93.** কুৰি শতিকাৰ প্ৰথম ভাগত ডিমাছাসকলৰ বাবে কি গুৰুত্বপূৰ্ণ ঘটনা ঘটিছিল?

(1) ডিমাছাসকলৰ 'নিখিল কাছাৰ হৈড়িম্ব সমিতি' গঠন হৈছিল।

(2) প্ৰথম ডিমাছা ভাষাতত্ত্বৰ গ্ৰন্থখন প্ৰকাশ পাইছিল।

(3) প্ৰথম ডিমাছা স্কুল প্ৰতিষ্ঠা হৈছিল।

(4) ডিমাছাসকলৰ প্ৰথম বুৰঞ্জী ৰচনা হৈছিল।

**94.** 'দিগ্বলয়' পত্ৰিকাখনৰ সম্পাদক আছিল —

(1) কামালুদ্দীন আহমদ (2) নলিনীন্দ্ৰ বৰ্মণ (3) নন্দন বৰ্মণ (4) ৰাজমোহন নাথ

**95.** নন্দলাল বৰ্মণে প্ৰতিষ্ঠা কৰা 'ৰাজা গোবিন্দচন্দ্ৰ মেমৰিয়েল স্কুল' কোন জিলাত প্ৰতিষ্ঠা কৰা হৈছিল?

(1) ডিমা হাছাও (2) কাছাৰ (3) কৰিমগঞ্জ (4) শিলচৰ

**96.** তলৰ কোনখন গ্ৰন্থ ৰাজমোহন নাথৰদ্বাৰা প্ৰণীত?

(1) The Background of Culture

(2) The Background of Assamese Culture

(3) The Art and Architecture of Assam

(4) The Queen of Cachar or Herambo and the History of Cacharis

**97.** 'মিলাউ' সম্বোধনেৰে ৰাইজে কাক মাতিছিল?

(1) ৰাজমোহন নাথক (2) নলিনীন্দ্ৰ বৰ্মণক (3) নন্দলাল বৰ্মণক (4) মণিচৰণ বৰ্মণক

**98.** ৰাজমোহন নাথ মূলতে এগৰাকী __________ আছিল।

(1) বুৰঞ্জীবিদ (2) শিক্ষক

(3) কৰিমগঞ্জ কলেজৰ অধ্যাপক (4) অভিযন্তা

**99.** তলত দুটা উক্তি দিয়া আছে। উক্তি দুটাৰ শুদ্ধাশুদ্ধ বিচাৰ কৰাঁ।

**উক্তি (ক)** ঃ সমাজসেৱক অনিল কুমাৰ বৰ্মণ পেছাত আইনৰ সৈতে জড়িত আছিল।

**উক্তি (খ)** ঃ 'নিখিল কাছাৰ হৈড়িম্ব বৰ্মণ সমিতি'ৰ প্ৰথম আৰু প্ৰতিষ্ঠাপক সভাপতি আছিল অনিল কুমাৰ বৰ্মণ।

(1) **(ক)** শুদ্ধ **(খ)** অশুদ্ধ (2) **(ক)** অশুদ্ধ **(খ)** শুদ্ধ

(3) **(ক)** আৰু **(খ)** দুয়োটাই শুদ্ধ (4) **(ক)** আৰু **(খ)** দুয়োটাই অশুদ্ধ



www.careerindia.com

CAREERINDIA

**তলৰ কবিতাটো পঢ়ি 100 ৰপৰা 105 লৈকে দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ প্ৰদত্ত বিকল্পসমূহৰ মাজৰপৰা চিনাক্ত কৰাঁ ঃ**

সকলো দেশত কৰি মোৰ দেশ ভাল
চৰণত সেৱা যাৰ কৰোঁ চিৰকাল।
ক'ত আছে এনে মাটি সোণৰ চপৰা
ক'ত আছে এনে পানী সুধাৰ নিজৰা!
ক'ত আছে এনে ধান এই ধৰণীত
ক'ত আছে এনে ধন হাবি-বননিত।
ক'ত আছে এনে পলু — এৰি মুগা পাট
ক'ত আছে এনে পখী অমাতৰ মাত!
ক'ত আছে এনে ফুল ফুলে বাৰমাহ
ক'ত আছে এনে ফল দেখিলে উলাহ!
ক'ত আছে এনে ঠাই সৰগ ফুলনি
ক'ত আছে এনে আই সোণৰ গোসাঁনী!
ভাই-ভনী মিলি য'ত থাকোঁ চিৰকাল
সকলো দেশত কৰি মোৰ দেশ ভাল।

**100.** কবিতাটোত কি কাপোৰৰ কথা উল্লেখ আছে?

(1) ৰেছম (2) মাত্ৰ মুগা (3) মুগা আৰু পাট (4) মাত্ৰ পাট

**101.** ভাল-কাল, চপৰা-নিজৰা, ধৰণীত-বননিত — এনেদৰে কবিতাৰ শাৰীৰ শেষৰ ধ্বনিকেইটা মিলি থকা ছন্দটোক কোৱা হয়—

(1) বৃত্তানুপ্ৰাস (2) অন্ত্যানুপ্ৰাস (3) ছেকানুপ্ৰাস (4) লাটানুপ্ৰাস

**102.** কবিয়ে কাৰ চৰণত সেৱা কৰাৰ কথা কৈছে?

(1) গোসাঁনীৰ (2) দেশৰ (3) আই মাতৃৰ (4) প্ৰকৃতিৰ

**103.** কবিয়ে অসমৰ হাবি-বননিত কি আছে বুলি কৈছে?

(1) সোণ (2) ধান (3) ধন (4) সুধা

**104.** অমাতৰ মাত কোনে মাতে ?

(1) কবিয়ে (2) ভাই-ভনীয়ে (3) ধৰণীয়ে (4) পখীয়ে

**105.** কবিয়ে নিজ দেশৰ পানীক কিহৰ সৈতে তুলনা কৰিছে?

(1) সৰগৰ সুধা (2) সুধাৰ নিজৰা (3) মধুৰ অমৃত (4) সৰগৰ জলধাৰ

www.careerindia.com

CAREERINDIA

**106.** পঞ্চম শ্ৰেণীৰ ছাত্ৰী অপৰ্ণাই বুজে যে শ্ৰৱণ মানে হৈছে এটা বক্তৃতা বা অডিঅ'ৰ প্ৰতিটো ধ্বনি, শব্দ আৰু তাৰ পাছত বাক্য শুনা আৰু তাৰ অৰ্থ নিৰ্দ্ধাৰণ কৰা। শিকাৰুগৰাকীয়ে শ্ৰৱণৰ ক্ষেত্ৰত কি দৃষ্টিভংগী বা কৌশলত বিশ্বাস কৰে?

(1) অধোমুখী অভিগম (Top-down approach)

(2) ঊৰ্দ্ধমুখী অভিগম (Bottom-up approach)

(3) অধোমুখী আৰু ঊৰ্দ্ধমুখী দুয়োটা অভিগম

(4) অধোমুখী বা ঊৰ্দ্ধমুখী অভিগমৰ এটাও নহয়

**107.** ষষ্ঠ শ্ৰেণীৰ এগৰাকী শিক্ষকে শিক্ষাৰ্থীসকলে পঢ়িব লগা পাঠ এটাৰ সৈতে সম্পৰ্কযুক্ত পূৰ্বৰ জ্ঞান আৰু অভিজ্ঞতাৰ আধাৰত এটা প্ৰস্তুতি পৰ্ব চলাবলৈ কয়। কিন্তু তেওঁ পাঠটো পঢ়োৱাৰ পূৰ্বে শিক্ষাৰ্থীসকলক গল্পটোৰ সচিত্ৰ বিৱৰণসমূহত চকু দিবলৈ ক'লে। তেওঁ শিক্ষাৰ্থীসকলে কি কৰাটো বিচাৰিছিল ?

(1) সচিত্ৰ বিৱৰণসমূহৰপৰা কাহিনীটো মনতে কল্পনা কৰে।

(2) সচিত্ৰ বিৱৰণসমূহ প্ৰশংসা কৰে।

(3) পঢ়িব লগা পাঠটোৰ বিষয়ে অনুমান কৰে।

(4) সচিত্ৰ বিৱৰণসমূহ বুজিব পৰা কৰে।

**108.** শিকাৰুৱে কি শিকিছে তাৰ ধাৰাবাহিক তথ্য লিপিবদ্ধকৰণ হৈছে —

(1) পত্ৰাধাৰ (Portfolio)

(2) ধাৰাবাহিক সামগ্ৰিক মূল্যায়ন

(3) পাৰদৰ্শিতা মূল্যায়ন (Proficiency assessment)

(4) হেতু পৰীক্ষণ (Diagnostic test)

**109.** তলৰ কোনটোৱে 'ভাষাৰ বিষয়ে জনা' (Knowing about language) সূচায়?

(1) ঘোষণাত্মক জ্ঞান (Declarative Knowledge)

(2) কাৰ্যপদ্ধতিগত জ্ঞান (Procedural Knowledge)

(3) বৈয়াকৰণিক জ্ঞান

(4) কৌশলগত দক্ষতা (Strategic Competence)

**110.** ভাষাৰ উপভাষাৰ ক্ষেত্ৰত তলৰ কোনটো মন্তব্য শুদ্ধ?

(1) অঞ্চল অনুপাতে উপভাষাৰ ৰূপভেদ থাকে

(2) এটা উপভাষাৰ বক্তাই একেটা ভাষাৰ আন এটা উপভাষাৰ বক্তাৰ বক্তব্য বুজি পায়।

(3) উপভাষা ডাঙৰ শ্ৰেণী আৰু ভাষা এটা সৰু শ্ৰেণী।

(4) কেতিয়াবা একেটা ভাষাৰ বিভিন্ন সামাজিক শ্ৰেণীয়ে সুকীয়া উপভাষা কয়।

www.careerindia.com

**111.** 'সামগ্ৰীৰ নিৰ্ভৰযোগ্যতা' (Authenticity of Material) মানে হৈছে —

(1) শিক্ষকে শ্ৰেণীৰ বাবে লিখা সামগ্ৰী

(2) কৰ্তৃপক্ষৰদ্বাৰা লিখিত বা প্ৰস্তুত কৰা সামগ্ৰী

(3) বাস্তৱ জীৱনৰ আধাৰত লিখিত বা প্ৰস্তুত কৰা সামগ্ৰী

(4) শিশুৱে ঘৰৰপৰা অনা সামগ্ৰী

**112.** ষষ্ঠ শ্ৰেণীৰ শিক্ষক এগৰাকীয়ে তলৰ কামটো কথন অভ্যাসৰ বাবে কৰিবলৈ দিলে —

"মৰুভূমি আৰু ইয়াৰ বতৰৰ অৱস্থাৰ বিষয়ে পাঁচটা বাক্য কোৱাঁ।"

ই এটা উত্তম কাৰ্য হয় নে নহয় ? তোমাৰ মন্তব্যৰ লগতে কাৰণ সূচাবলৈ তলৰ বিকল্প এটা চিনাক্ত কৰাঁ।

(1) এইটো এটা উত্তম কাৰ্য কাৰণ শিক্ষাৰ্থীসকলে নিশ্চয় ভূগোলৰ শ্ৰেণীত মৰুভূমিৰ বিষয়ে পঢ়িছে আৰু সেইবাবে তেওঁলোকে কথন ইন্‌পুট লাভ কৰিব।

(2) এইটো এটা উত্তম কাৰ্য, কাৰণ, ইয়াৰ ফলত শিক্ষাৰ্থীয়ে কিবা এটা কোৱাৰ সুযোগ পাব আৰু ইয়াত এইটো হৈছে মৰুভূমি।

(3) এইটো উত্তম কাৰ্য নহয়, কাৰণ কিছুমানে মৰুভূমিৰ বিষয়ে নাজানিবও পাৰে।

(4) এইটো উত্তম কাৰ্য নহয়, কাৰণ মৰুভূমিৰ অৱস্থাৰ বিষয়ে কোনো ইনপুট নথকা বাবে ই প্ৰসংগিকতা হেৰুৱাইছে।

**113.** ৰাষ্ট্ৰীয় শিক্ষা নীতি - 2020 মতে বিদেশী ভাষাৰ ক্ষেত্ৰত তলৰ কোনটো শুদ্ধ **নহয়**?

(1) মাধ্যমিক স্তৰত বিদেশী ভাষা অধ্যয়ন এটা অতিৰিক্ত বিকল্প।

(2) ত্ৰি-ভাষা সূত্ৰত বিদেশী ভাষা এটা ভাষা হিচাপে অন্তৰ্ভুক্ত।

(3) ত্ৰি-ভাষা সূত্ৰৰ তিনিটা ভাষা শিকাৰ ক্ষেত্ৰত বিদেশী ভাষা ধৰা নহয়।

(4) ফৰাচী ভাষাটো অতিৰিক্ত বিকল্প হিচাপে অনুমোদিত কৰা হৈছে।

**114.** বৃত্তিৰ বাবে বিদেশলৈ যোৱা বহুতো ভাৰতীয়ই নতুন ঠাইৰ ভাষাটো শিকি লয়। এই ধৰণৰ প্ৰণোদিতকৰণক কোৱা হয় ঃ

(1) সংহত (integrative) আৰু কাৰণিক (instrumental) প্ৰণোদিতকৰণ দুয়োটাই

(2) সংহত প্ৰণোদিতকৰণ

(3) কাৰণিক প্ৰণোদিতকৰণ

(4) ই সংহতও নহয় কাৰণিকো নহয়

**115.** ভাষা শিক্ষণত 'প্ৰণালীবদ্ধ পাৰদৰ্শিতা' (systemic competence) মানে কি?

(1) ভাষা যে এটা প্ৰণালী হিচাপে কাম কৰে সেয়া বুজা আৰু প্ৰয়োগ কৰা।

(2) ভাষাৰ যে এটা বৈয়াকৰণিক প্ৰণালী আছে সেয়া বুজা আৰু প্ৰয়োগ কৰা।

(3) সকলো ভাষাৰে যে সাধাৰণ গঠনাত্মক প্ৰণালী থাকে সেয়া বুজা।

(4) সকলো মানুহৰে যে বহু ভাষাৰ এটা ব্যৱস্থা আছে সেয়া বুজা।

116. তলত কিছুমান মন্তব্যৰ এটা পাঠ দিয়া হৈছে। এইটো কোন ধৰণৰ ভাষা ৰেজিষ্টাৰৰ অন্তৰ্ভুক্ত সেয়া চিনাক্ত কৰাঁ।

"ভাৰতীয় সংবিধানে সকলো মানুহকে সমান বুলি স্বীকৃতি দিছে। ইয়াৰ অৰ্থ হ'ল যে জাতি, ধৰ্ম, লিংগ, জনজাতি, শৈক্ষিক আৰু অৰ্থনৈতিক পচ্ছাদপট নিৰ্বিশেষে সকলো সমান। ইয়াৰ মানে এইটো ক'ব নোৱাৰিব যে বৈষম্য একেবাৰে নাই। কিন্তু এই কথা মানিব লাগিব যে অন্ততঃ গণতান্ত্ৰিক ভাৰতত সকলোৰে সমতাৰ আদৰ্শক স্বীকৃতি প্ৰদান কৰা হৈছে।"

(1) ৰাজনৈতিক ৰেজিষ্টাৰ (Politic register)

(2) সমাজ বিজ্ঞান ৰেজিষ্টাৰ

(3) আইনী ৰেজিষ্টাৰ

(4) বৈজ্ঞানিক ৰেজিষ্টাৰ

117. তলৰ কোনটো কাৰ্য সমন্বিত শিকন দক্ষতা (integrated learning skills) ক পোষকতা কৰে?

(1) চৰিত্ৰ ৰূপায়ণ (Role-play)
(2) গৃহকৰ্ম (Assignment)
(3) প্ৰকল্প (Project work)
(4) ৰচনা লিখা (Writing an article)

118. তলৰ কোনটো ধ্ৰুপদী ভাষা **নহয়**?

(1) তামিল (2) সংস্কৃত (3) তেলেগু (4) হিন্দী

119. তলৰ কৌশলটোক ব্যাকৰণ শিকনৰ ক্ষেত্ৰত কি বুলি জনা যায়?

প্ৰসংগ অনুসৰি ভাষাৰ উপকৰণসমূহ পৰিচয়কৰণ, শিকাৰুক ভাষাৰ উপকৰণসমূহ পৰ্যবেক্ষণ কৰিবলৈ দিয়া, এইবোৰক বাস্তৱ জীৱনত প্ৰয়োগ কৰা আৰু ৰূপসমূহ উদ্ধাৰ কৰি শিকাৰুৰ মনোযোগ আকৰ্ষণ কৰা।

(1) পৰিকল্পনাকৰণ (Creating a Schema)

(2) অৱৰোহী পদ্ধতি (Deductive Method)

(3) আৱিষ্কাৰ পদ্ধতি (Discovery Method)

(4) সচেতনতা জাগৃতকৰণ (Consciousness Raising)

120. তলৰ কোনটো 'গ্ৰহণ দক্ষতা' (Receptive skill)?

(1) শ্ৰৱণ আৰু লিখন
(2) পঠন আৰু কথন
(3) কথন আৰু লিখন
(4) শ্ৰৱণ আৰু পঠন

www.careerindia.com

CAREERINDIA

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V-ৰ (প্ৰশ্ন নং 121-ৰপৰা 150 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

→

www.careerindia.com

CAREERINDIA

## PART–V
## LANGUAGE–II
## ASSAMESE

| |
|---|
| পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V-ৰ (প্ৰশ্ন নং 121-ৰপৰা 150 লৈ)** উত্তৰ কৰিব। |

**তলৰ পাঠটো পঢ়ি 121 ৰপৰা 128 লৈকে দিয়া প্ৰশ্নসমূহৰ উত্তৰ প্ৰদত্ত বিকল্পসমূহৰ মাজৰপৰা চিনাক্ত কৰাঁ।**

কলিয়াবৰতে তুৰ্বকৰ সৈতে আহোম সেনাৰ থৈয়া-নথৈয়া ৰণ হ'ল। এই ৰণক 'কলিয়াবৰৰ ৰণ' বা 'কপিলী-গঙ্গা ৰণ' বুলিও বুৰঞ্জীত জনা যায়। ইতিমধ্যে মন্ত্ৰী বুঢ়াগোহাঁই প্ৰমুখ্যে আঠজন আহোম প্ৰধান যোদ্ধা ৰণত পৰিল। স্বৰ্গদেউ বৰ চিন্তিত হ'ল। ইয়াৰ পাছত স্বৰ্গদেৱে আন এজন মন্ত্ৰী ফ্ৰাচেংমুং বৰগোহাঁইক প্ৰধান সেনাপতি পাতি তুৰ্বকক প্ৰতিহত কৰিবলৈ আদেশ দিলে। এইজনা বৰগোহাঁইৰ পত্নীৰ নামেই মূলাগাভৰু। স্বৰ্গদেউৰ আদেশ মানি যুঁজলৈ যাবলৈ সাজু হৈ ফ্ৰাচেংমুং বৰগোহাঁয়ে পত্নী মূলাগাভৰুক কৰচ-কাপোৰ বিচাৰিলে। হঠাৎ বৰগোহাঁইদেউ যুঁজলৈ ওলোৱাত মূলাগাভৰু বিমোৰত পৰিল। বিশেষ লেঠাত মূলাগাভৰুৱে ৰাতিটোৰ ভিতৰতে কৰচ-কাপোৰ বৈ দিব নোৱাৰিলে। সেইবাবে তেওঁ বৰগোহাঁইক ৰণলৈ যাবলৈ বাধা দিলে। বৰগোহাঁয়ে ক'লে— 'মই আৰু পলম কৰিব নোৱাৰোঁ। ৰণলৈ সকলো আহিলা-পাতি সাজু হৈছে। কৰচ-কাপোৰ নোহোৱাকৈয়ে মই তুৰ্বকক ঘটুৱাব পাৰিম।' এইদৰে মূলাগাভৰুক বুজনি দি তেওঁ ৰণলৈ যাত্ৰা কৰিলে। দুয়োপক্ষৰ মাজত পুনৰ থৈয়া-নথৈয়া ৰণ হ'ল। তুৰ্বকৰ লগত প্ৰাণটাকি যুঁজিও বৰগোহাঁই জিকিব নোৱাৰিলে। অৱশেষত তেওঁ মৃত্যুক আকোঁৱালি ল'লে। বৰগোহাঁইৰ মৃত্যুৰ বাতৰি গড়গাঁও পালেগৈ। মূলাগাভৰু শোকত ভাগি পৰিল। তেওঁ ভাবিলে, 'ৰাতিটোৰ ভিতৰতে কৰচ-কাপোৰ বৈ দিব নোৱৰাৰ বাবেহে মোৰ বঙহৰদেউৰ এনে দশা হ'ল।'

স্বামীৰ মৃত্যুত বিচলিত নহৈ পতিহন্তা শত্ৰুৰ বিৰুদ্ধে যুঁজ দিবলৈ তেওঁ দৃঢ়প্ৰতিজ্ঞ হ'ল। স্বৰ্গদেউৰ আদেশ লৈ মূলাগাভৰুৱে হাতত হেংদাং লৈ হাতীত উঠি যুদ্ধক্ষেত্ৰলৈ ওলাল। মূলাগাভৰুৰ সাহস দেখি আন কেইবাগৰাকী আহোম ৰমণীয়েও তেওঁক সঙ্গ দিলে। নাৰী বাহিনীৰ মনোবল আৰু বীৰত্ব দেখি আহোম সেনাৰ মনোবল দুগুণে বাঢ়িল। তেওঁলোকে মূলাগাভৰুৰ নেতৃত্বত মহাপৰাক্ৰমেৰে যুঁজি তুৰ্বকৰ বহু সৈন্য নিপাত কৰিলে। মুছলমান সৈন্যই মূলাগাভৰুৰ সাহস আৰু বীৰত্ব দেখি বিস্ময় মানিলে। তুৰ্বকৰ লগত ভেটা-ভেটি হোৱাত দুয়োৰে মাজত তুমুল যুদ্ধ হ'ল। অৱশেষত তুৰ্বকৰ অস্ত্ৰৰ আঘাতত মূলাগাভৰু হাতীৰ পিঠিৰপৰা ঢলি পৰিল। পাছত কনচেং বৰপাত্ৰগোহাঁইৰ নেতৃত্বত আহোম সেনাই তুৰ্বকৰ সৈন্যক পৰাস্ত কৰি কৰতোয়া নদীলৈকে খেদি পঠালে।

**121.** তুৰ্বকে অসম আক্ৰমণ কৰাৰ সময়ত মূলাগাভৰু ক'ত আছিল?

(1) কপিলীৰ পাৰত (2) কলিয়াবৰত (3) গড়গাঁৱত (4) ৰণক্ষেত্ৰত

**122.** তলত দুটা উক্তি দিয়া আছে। উক্তি দুটাৰ শুদ্ধাশুদ্ধ বিচাৰ কৰাঁ।

**উক্তি (ক)** ঃ কনচেং বৰপাত্ৰগোহাঁয়ে তুৰ্বকৰ বিপক্ষে তুমুল যুদ্ধ দিও পৰাজিত হ'ল।

**উক্তি (খ)** ঃ মূলাগাভৰুৰ নেতৃত্বত এটা নাৰীবাহিনীয়ে দেশ ৰক্ষাৰ বাবে তুৰ্বকৰ বিপক্ষে যুদ্ধ দিছিল।

(1) **(ক)** শুদ্ধ **(খ)** অশুদ্ধ

(2) **(ক)** অশুদ্ধ **(খ)** শুদ্ধ

(3) **(ক)** আৰু **(খ)** দুয়োটাই শুদ্ধ

(4) **(ক)** আৰু **(খ)** দুয়োটাই অশুদ্ধ

www.careerindia.com

CAREERINDIA

**123.** তুৰ্বকক পৰাজিত কৰা আহোম সেনাৰ নেতৃত্বত কোন আছিল?

(1) কনচেং বৰপাত্ৰগোহাঁই (2) ফ্ৰাচেংমুং বৰগোহাঁই

(3) মূলাগাভৰু (4) স্বয়ং স্বৰ্গদেউ

**124.** মূলাগাভৰুৰ পতিহন্তা শত্ৰু কোন আছিল ?

(1) আক্ৰমণকাৰী (2) তুৰ্বক আৰু তেওঁৰ সৈন্যবাহিনী

(3) তুৰ্বক আৰু আহোম সেনাসকল (4) বৰগোহাঁই

**125.** তুৰ্বকৰ আক্ৰমণত প্ৰথমতে কিমানগৰাকী আহোমৰ প্ৰধান যোদ্ধা ৰণত পৰিছিল?

(1) পাঁচজন (2) ছজন (3) আঠজন (4) নজন

**126.** "... কৰচ-কাপোৰ বৈ দিব নোৰৰাৰ বাবেহে মোৰ বঙহৰদেউৰ এনে দশা হ'ল।"— ইয়াত 'মোৰ' শব্দটো —

(1) কৰ্তা কাৰক (2) সম্প্ৰদান কাৰক (3) অধিকৰণ কাৰক (4) সম্বন্ধ পদ

**127.** মূলাগাভৰুৱে কিহত উঠি যুদ্ধ কৰিছিল?

(1) ঘোঁৰাত (2) হাতীত (3) ৰথত (4) পদব্ৰজে

**128.** 'কৰচ কাপোৰ' কি?

(1) কৰচৰূপে ব্যৱহৃত ডাঠ কাপোৰ

(2) যুদ্ধৰ কাপোৰ

(3) ৰাতিটোৰ ভিতৰতে আহোম যোদ্ধাৰ বাবে বৈ দিয়া ৰক্ষাসূচক কাপোৰ

(4) কাপোৰেৰে নিৰ্মিত যুদ্ধ কৰচ

www.careerindia.com

CAREERINDIA

**তলত দিয়া পাঠ অংশ পঢ়ি 129 ৰপৰা 135 লৈকে দিয়া প্ৰশ্নসমূহৰ উত্তৰ প্ৰদত্ত বিকল্পসমূহৰ মাজৰপৰা চিনাক্ত কৰাঁ।**

সঁচা কথা ক'বলৈ গ'লে, ইংৰাজী ভাষাৰ যোগেদিয়েই ভাৰতে আধুনিক যুগত প্ৰৱেশ কৰিলে। এতিয়া ইংৰাজসকলে ভাৰত এৰি গ'ল যদিও তেওঁলোকৰ সমৃদ্ধিশালী ভাষাটো কিন্তু আমালৈ এৰি থৈ গ'ল। ভাৰতৰ স্কুল-কলেজত ইংৰাজী এতিয়াও এটা অৱশ্য-শিক্ষণীয় বিষয়। এইটো আমাৰ এটা ডাঙৰ সুবিধা; কাৰণ ইংৰাজী ভাষাৰ লগত পৰিচয় থকাৰ কাৰণে বিশ্বৰ বিপুল জ্ঞান-ভাণ্ডাৰ সঁচাৰ কাঠিটো আপোনা-আপুনি আমাৰ হাতৰ মুঠিলৈ আহি গৈছে। সেই কাৰণে যিসকল লোকে কিতাপ পঢ়ি জ্ঞান আহৰণ কৰিব খোজে আৰু জীৱনটো আনন্দময় কৰি ৰাখিব খোজে তেওঁলোকে নিজৰ স্বাৰ্থতে ইংৰাজী ভাষাটো আয়ত্ত কৰিবলৈ চেষ্টা কৰিব লাগে।

গ্ৰীকসকল আছিল প্ৰাচীন জগতৰ আটাইতকৈ সভ্য জাতি। কিন্তু পিছত সামৰিক আৰু ৰাজনৈতিক ক্ষমতাত ৰোমানসকল গ্ৰীকসকলতকৈয়ো বেছি শক্তিশালী হৈ উঠিল। ৰোমানসকলে গ্ৰীচ দেশ জয় কৰি নিজৰ তলতীয়া কৰিলে। কিন্তু গ্ৰীচক তলতীয়া কৰিলে যদিও এই কথা বুজিবলৈ ৰোমানসকলৰ যথেষ্ট সুবুদ্ধি আছিল যে গ্ৰীকসকলৰ সভ্যতা-সংস্কৃতি ৰোমানসকলতকৈ অনেক বেছি উন্নত। সেই কাৰণে ৰাজনৈতিকভাৱে ৰোমানসকল গ্ৰীকসকলৰ প্ৰভু হ'ল যদিও জ্ঞান-বিজ্ঞানৰ সাধনাৰ ক্ষেত্ৰত কিন্তু তেওঁলোকে গ্ৰীকসকলক নিজৰ গুৰু বুলি মানি ল'লে। তেওঁলোকে গ্ৰীক ভাষা শিকি আৰু গ্ৰীক ভাষাৰ দৰ্শন, বিজ্ঞান আৰু সাহিত্য লেটিন ভাষালৈ অনুবাদ কৰি নিজৰ সাহিত্য-সংস্কৃতিৰ ভেঁটি স্থাপন কৰিলে। এই উদাহৰণৰপৰা আমি এই শিক্ষাই পাওঁ যে জ্ঞান আহৰণৰ কাৰণে নিজতকৈ উন্নত জাতিৰ ভাষা আয়ত্ত কৰিবলৈ চেষ্টা কৰাটো লাজৰ কথা হ'ব নোৱাৰে।

**129.** "তেওঁলোকে গ্ৰীক ভাষা শিকি ..." — ইয়াত তেওঁলোকে শব্দটো এটা —

(1) বিশেষ্য (2) বিশেষণ (3) সৰ্বনাম (4) অব্যয়

**130.** তলৰ কোনটো বাক্য শুদ্ধ ?

(1) বৃটিছসকলে ইংৰাজী ভাষাৰ সৈতে পৰিচয় কৰি দিয়া বাবেহে ভাৰতে আধুনিক যুগত প্ৰৱেশ কৰিলে।

(2) বৃটিছসকলে জ্ঞান ভাণ্ডাৰৰ সঁচাৰ কাঠিটো আমাক দি থৈ নগ'ল।

(3) ইংৰাজী ভাষা শিকিলে বৃটিছৰ বিষয়ে সবিশেষ জনাৰ সুবিধা হয়।

(4) ইংৰাজী ভাষাই পৃথিৱীৰ সবাতোকৈ পুৰণি আৰু সমৃদ্ধ ভাষা।

**131.** তলত দুটা উক্তি আছে। উক্তি দুটাৰ শুদ্ধাশুদ্ধ বিচাৰ কৰাঁ।

**উক্তি (ক) ঃ** লেটিন ভাষা নিশিকিলে ভাৰতীয় সভ্যতাৰ পূৰ্বপুৰুষসকলে আধুনিকতাৰ পাতনি মেলিব নোৱাৰিলেহেঁতেন।

**উক্তি (খ) ঃ** বৃটিছসকলে ৰোমানসকলক জ্ঞান দৰ্শনৰ গুৰুৰূপে মানি লৈছিল।

(1) **(ক)** শুদ্ধ **(খ)** অশুদ্ধ

(2) **(ক)** অশুদ্ধ **(খ)** শুদ্ধ

(3) **(ক)** আৰু **(খ)** দুয়োটাই শুদ্ধ

(4) **(ক)** আৰু **(খ)** দুয়োটাই অশুদ্ধ

www.careerindia.com

CAREERINDIA

**132.** জ্ঞান-বিজ্ঞান সাধনাৰ ক্ষেত্ৰত —

(1) বৃটিছসকল ৰোমানসকলৰ আদৰ্শ

(2) গ্ৰীকসকল ৰোমানসকলৰ গুৰু

(3) ৰোমানসকল গ্ৰীকসকলৰ গুৰু

(4) লেটিন ভাষা গ্ৰীকতকৈ আগবঢ়া আছিল

**133.** 'সাঁচাৰ - কাঠী' পদটোৰ 'সাঁচাৰ' শব্দটোৰ সমাৰ্থক শব্দ —

(1) চাবি (2) তলা-চাবি (3) তলা (4) পেৰা

**134.** ইংৰাজী ভাষাৰ যোগেদি —

(1) বিদেশৰ সৈতে যোগাযোগ কৰিব পাৰি

(2) কিতাপ লিখিব পাৰি

(3) কিতাপ পঢ়ি জ্ঞান আহৰণ কৰাৰ লগতে জীৱনটো আনন্দময় কৰি তুলিব পাৰি

(4) বৃটিছৰ দৰে আচাৰ-আচৰণ কৰি নিজকে উন্নত ৰূপত প্ৰতিষ্ঠা কৰিব পাৰি

**135.** ৰোমান সভ্যতাৰ ইতিহাসৰপৰা শিকা যায় যে —

(1) নিজৰ ভাষাৰ উপযুক্ত বিকাশেই জাতি এটাৰ গৌৰৱৰ মূল।

(2) জ্ঞান আহৰণৰ বাবে সমৃদ্ধ জাতিৰ ভাষা শিকাটো লাজৰ কথা নহয়।

(3) জ্ঞান আহৰণৰ লগত ভাষা আয়ত্তকৰণৰ কোনো সম্পৰ্ক নাই।

(4) সভ্যতাৰ উত্তৰণত নিজৰ ভাষাটোৱেই সৰ্বোচ্চ স্থানত থকা উচিত।

**136.** শ্ৰৱণৰ অধোমুখী অভিগমে (Top down approach) সামৰি লয় —

(1) নিৰ্দিষ্ট সবিশেষৰ প্ৰতি গুৰুত্ব দিয়া

(2) বক্তৃতা, পাঠ অথবা অডিঅ'ৰ সাৰটো শুনা

(3) বক্তৃতা, পাঠ অথবা অডিঅ'ৰ সামগ্ৰিক বাৰ্তাটো শুনা

(4) প্ৰতিটো ধ্বনি, শব্দ, খণ্ডবাক্য, দফা আৰু বাক্য শুনা

www.careerindia.com

**137.** কৃপা আৰু কৰণ যমজ ভাতৃ আৰু দুয়ো মণিপুৰীৰ এটা উপভাষা কয়। অৱশ্যে দুয়োৰে কথন সুকীয়া। উপভাষাটো কোৰাৰ ক্ষেত্ৰত তেওঁলোকৰ ব্যক্তিগত ধৰণটোক কি বুলি জনা যায়?

(1) ব্যক্তিভাষা (Idiolect)
(2) উপভাষা (dialect)
(3) কথন কাৰ্য (speech act)
(4) মণিপুৰী

**138.** ৰাষ্ট্ৰীয় শিক্ষা নীতি - 2020 অনুসৰি ধ্ৰুপদী ভাষাৰ ক্ষেত্ৰত তলৰ কোনটো কথা প্ৰযোজ্য হয়?

(1) মাধ্যমিক স্তৰত ধ্ৰুপদী ভাষা এটা অতিৰিক্ত বিকল্প হিচাপে পঢ়িব।
(2) ত্ৰি-ভাষা সূত্ৰৰ অধীনৰ অংশ হিচাপে ধ্ৰুপদী ভাষা অধ্যয়ন কৰিব।
(3) প্ৰস্তুতি পৰ্বতে ধ্ৰুপদী ভাষা পঢ়িব।
(4) মাধ্যমিক স্তৰত মূল ভাষা হিচাপে ধ্ৰুপদী ভাষা পঢ়িব।

**139.** ভাষাৰ শ্ৰেণীত এটা প্ৰকল্পৰ আৰ্হি প্ৰস্তুতকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰত বিভিন্ন স্তৰসমূহ হৈছে —

(1) গোট সৃষ্টি কৰা, পৰিকল্পনা, তথ্য সংগ্ৰহ, তথ্য বিশ্লেষণ কৰা, খচৰা লিখা, বিষয় নিৰ্ধাৰণ কৰা আৰু ৰিপ'ৰ্ট চূড়ান্ত কৰা
(2) গোট সৃষ্টি কৰা, বিষয় নিৰ্ধাৰণ কৰা, পৰিকল্পনা, তথ্য সংগ্ৰহ, তথ্য বিশ্লেষণ, খচৰা লিখন আৰু ৰিপ'ৰ্ট চূড়ান্তকৰণ
(3) গোট সৃষ্টি কৰা, বিষয় নিৰ্ধাৰণ কৰা, পৰিকল্পনা, তথ্য সংগ্ৰহ, খচৰা লিখন, তথ্য বিশ্লেষণ আৰু ৰিপ'ৰ্ট চূড়ান্তকৰণ
(4) শিক্ষক আৰু শিকাৰুৱে নিজৰ মতে প্ৰকল্পৰ আৰ্হি আৰু ৰূপায়ণৰ পৰিকল্পনা কৰিব পাৰে।

**140.** সপ্তম শ্ৰেণীত পাঠদান কৰা এগৰাকী শিক্ষকে শিক্ষাৰ্থীসকলে এটা গল্পত উল্লেখিত সম্প্ৰদায়ৰ মানুহৰ অভিব্যক্ত ক্ষমতা আৰু পৰিচয় সম্পৰ্কে বুজিব পৰাকৈ গল্পটো পঢ়াটো বিচাৰে। শিক্ষকগৰাকীয়ে শিকাৰুসকলৰ মাজত কিহৰ পোষকতা কৰিব বিচাৰে?

(1) ভাষা বোধ (Language Literacy)
(2) সমালোচনামূলক বোধ (Critical Literacy)
(3) বিশ্লেষণাত্মক পঠন
(4) সাহিত্যিক দক্ষতা

**141.** তলৰ কথাখিনি পঢ়ি ই কোন ভাষা ৰেজিষ্টাৰৰ অন্তৰ্ভুক্ত হ'ব চিনাক্ত কৰাঁ।

বিপ্লৱৰ পাছত, হঠাতে ইয়াক পৰিৱৰ্তন কৰিব পৰা গ'ল। ইউৰোপ আৰু এছিয়াৰ বিভিন্ন অঞ্চলকে ধৰি পৃথিৱীৰ বিভিন্ন প্ৰান্তত ব্যক্তিৰ অধিকাৰ তথা সমাজৰ ক্ষমতা কাৰ হাতত ন্যস্ত হৈ আছে সেই বিষয়ে আলোচনা হ'বলৈ আৰম্ভ কৰিলে। ভাৰতবৰ্ষত ৰাজা ৰামমোহন ৰায় আৰু ডিৰাজিঅ'ই ফৰাচী বিপ্লৱৰ প্ৰাসংগিকতাৰ বিষয়ে আলোচনা কৰিলে। উপনিৱেশবোৰত এই ঘটনাক্ৰমে সমাজ পৰিৱৰ্তনৰ বাবে এই ধাৰণাবোৰ ব্যৱহাৰৰ বাট মুকলি কৰিলে।

(1) বৈজ্ঞানিক ৰেজিষ্টাৰ (Science register)
(2) ৰাজনৈতিক ৰেজিষ্টাৰ (Political register)
(3) সমাজ বিজ্ঞান ৰেজিষ্টাৰ (Social Science register)
(4) বিপ্লৱ ৰেজিষ্টাৰ (Revolution register)

CAREERINDIA

**142.** অষ্টম শ্ৰেণীৰ শিক্ষক সুভাষে দুঃখ কৰি ক'লে— "ভাষা মূল্যায়নে সাধাৰণতে গ্ৰহণ দক্ষতা (Receptive skill) ক গুৰুত্ব নিদিয়ে।" গ্ৰহণ দক্ষতা কি?

(1) শ্ৰৱণ আৰু লিখন
(2) কথন আৰু পঠন
(3) শ্ৰৱণ আৰু পঠন
(4) কথন আৰু লিখন

**143.** ভাৰতীয় সংবিধানে ইংৰাজী ভাষাক কি মৰ্যাদা দিছে?

(1) ৰাজভাষা
(2) সহযোগী ৰাজভাষা
(3) বিদেশী ভাষা
(4) নিয়ামক সংস্থাসমূহৰ ভাষা

**144.** অশ্বীনে জন্মগতভাৱে ওড়িয়া ভাষা জানে আৰু পাছত ইংৰাজী আৰু হিন্দী শিকিছে। এই কথাটোৰ আধাৰত তলৰ কোনটো মন্তব্য **শুদ্ধ নহয়**?

(1) তেওঁৰ ওড়িয়া শিকন হৈছে ভাষা আহৰণ
(2) তেওঁৰ হিন্দী শিকন হৈছে ভাষা শিকন
(3) তেওঁৰ ইংৰাজী শিকন হৈছে ভাষা শিকন
(4) তেওঁৰ ইংৰাজী শিকন হৈছে ভাষা আহৰণ

**145.** শিকাৰুৱে ভাষাই এটা প্ৰণালী হিচাপে কাম কৰে বুলি বুজে আৰু প্ৰয়োগ কৰে। ই হৈছে —

(1) যোগাযোগমূলক পাৰদৰ্শিতা
(2) ব্যৱস্থাপিত পাৰদৰ্শিতা
(3) সমাজ-ভাষাবৈজ্ঞানিক পাৰদৰ্শিতা
(4) কৌশলগত পাৰদৰ্শিতা

**146.** কাৰণিক প্ৰণোদিতকৰণ (Instrumental motivation) তেতিয়া হয়, যেতিয়া —

(1) এগৰাকী ব্যক্তিয়ে উপযোগিতা ভিত্তিক কাৰণ, যেনে বৃত্তি আদিৰ বাবে ভাষা শিকে।
(2) এগৰাকী ব্যক্তিয়ে ঘৰুৱা ভাষা (Native language) কোৱা মানুহৰ কাষ চাপিবলৈ ভাষাটো শিকে।
(3) এগৰাকী ব্যক্তিয়ে যেতিয়া তেওঁৰ সম্প্ৰদায়ৰ ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানবোৰৰপৰা ভাষা শিকে।
(4) যেতিয়া এগৰাকী ব্যক্তিয়ে কিতাপ লিখিবলৈ ভাষাটো শিকে।

www.careerindia.com

CAREERINDIA

**147.** তলৰ কোনটো ভাষাৰ ক্ষেত্ৰত শুদ্ধ **নহয়** ?

(1) ভাষাই পৰিচয় অভিব্যক্ত কৰে।

(2) ভাষা হৈছে বুৰঞ্জীৰ ভাণ্ডাৰ।

(3) ভাষাই সামগ্ৰিক মানৱী-জ্ঞানলৈ বৰঙণি আগবঢ়ায়।

(4) কিছুমান ভাষাই মাত্ৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক প্ৰসংগহে বুজাব পাৰে।

**148.** অদিতীয়ে স্বৰূপ ভূতকাল কি জানে। কিন্তু তাৰ প্ৰয়োগ কৰিব নাজানে। তেওঁ কি জ্ঞান অৱলম্বন কৰিছে?

(1) ভাষা আহৰণ আহিলা

(2) পদ্ধতিগত জ্ঞান

(3) ঘোষণাত্মক জ্ঞান

(4) প্ৰায়োগিক জ্ঞান

**149.** এগৰাকী শিক্ষাৰ্থীৰ সৱলতা আৰু দুৰ্বলতাবোৰ পৰীক্ষা কৰা পদ্ধতিক কোৱা হয় —

(1) বস্তুনিষ্ঠ পৰীক্ষা (Objective Test)

(2) বৈধতা পৰীক্ষা (Validity Test)

(3) হেতু পৰীক্ষা ( Diagnostic Test)

(4) গঠনধৰ্মী পৰীক্ষা (Formative Test)

**150.** সপ্তম শ্ৰেণীত পাঠদান কৰা এগৰাকী শিক্ষকে এগৰাকী ব্যক্তিৰ বিষয়ে লিখিবলৈ দিব বিচাৰিলে। তেওঁ শ্ৰেণীৰ বাহিৰলৈ গ'ল আৰু এগৰাকী হকাৰক তেওঁৰ বাস্কেটটোৰে সৈতে শ্ৰেণীলৈ লৈ আনিলে। তেওঁ হকাৰগৰাকীক সাত মিনিটৰ বাবে শ্ৰেণীত থাকিবলৈ ক'লে আৰু শিক্ষাৰ্থীসকলক যোৰ পাতি তেওঁৰ বিষয়ে বৰ্ণনা কৰিবলৈ অনুৰোধ কৰিলে। ইয়াত হকাৰগৰাকীক তুমি কি বুলি ক'বা ?

(1) শিক্ষণ সহযোগী

(2) এগৰাকী হকাৰ

(3) কাৰ্যত অংশগ্ৰহণকাৰী

(4) সামগ্ৰী

www.careerindia.com

- o 0 o -

SPACE FOR ROUGH WORK

www.careerindia.com

## তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়াঁ ঃ

1. ভিন ভিন প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবাঁ।
2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত **নীলা/ক'লা বল পে'নৰ** ঘূৰণীয়াকৈ বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা।
3. OMR উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ OMR উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।
4. প্ৰশ্নপত্ৰ আৰু OMR উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ প্ৰশ্ন পত্ৰ আৰু OMR উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু OMR উত্তৰ পত্ৰ দিয়া নহ'ব।
5. পৰীক্ষা পত্ৰ/OMR উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবাঁ।
6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰদ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব।
7. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব।
8. ম'বাইল ফ'ন, যিকোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইট্‌স্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকৈ ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব।
9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।
10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।
11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ স্বাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত স্বাক্ষৰ নকৰে তেনেহলে OMR উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব। **পৰীক্ষাৰ্থীয়ে সৰ্বদা উপস্থিতি বহীৰ খালী ঠাইত বাঁও হাতৰ বুঢ়া আঙুলিৰ ছাপ দিব লাগিব।**
12. ইলেক্ট্ৰনিক/ হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।
13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।
14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু OMR উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।
15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে OMR উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে।**

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **नीले/काले बॉल पॉइन्ट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस OMR उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक OMR उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं OMR उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं OMR उत्तर पत्र के कोड या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
5. परीक्षा पुस्तिका/OMR उत्तर पत्र में दिए गए परीक्षा पुस्तिका कोड व संख्या को परीक्षार्थी सही तरीके से उपस्थिति-पत्र में लिखें।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और परीक्षार्थी विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना OMR उत्तर पत्र दिए बिना एवं उपस्थिति-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार उपस्थिति-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने OMR उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान उपस्थिति-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी परीक्षण संस्था के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला परीक्षण संस्था के नियमों एवं विनियमों के अनुसार होगा।
14. किसी भी परिस्थिति में परीक्षा पुस्तिका और OMR उत्तर पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व OMR उत्तर पत्र निरीक्षक को अवश्य सौंप दें।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Blue / Black Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the OMR Answer Sheet is not folded. Do not make any stray marks on the OMR Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and OMR Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and OMR Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/OMR Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against the candidate including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their OMR Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the OMR Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Examining Body with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Examining Body.
14. No part of the Test Booklet and OMR Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the OMR Answer Sheet to the Invigilator in the Hall / Room.** ***The candidates are allowed to take away this Test Booklet with them.***

www.careerindia.com